# REGIONAL NEWS UNIT
AKASHVANI, GUWAHATI
0000000000

**Date :** 01-JAN-2026
**Time :** 1845 HRS

## *Assamese Evening Bulletin*
## Headlines
-------------------

১। নুমলীগড় আৰু গহপুৰৰ মাজত ব্ৰহ্মপুত্ৰৰ তলীৰে নিৰ্মাণ হ'বলগীয়া চাৰিলেনযুক্ত টুইন টিউব টানেলত দুটা লেনযুক্ত ৰে'লপথ সংযোজনত কেন্দ্ৰীয় চৰকাৰৰ অনুমোদন।

২। দেশৰ প্ৰথম ৰাজ্য হিচাপে অসমৰ অষ্টম দৰমহা আয়োগ গঠনৰ সিদ্ধান্ত।

৩। বছৰৰ প্ৰথমখন মন্ত্ৰীসভাৰ বৈঠকত ৰাজ্যত ১০০ খন বিদ্যালয় নিৰ্মাণৰ বাবে ৪৫৫ কোটি টকাত অনুমোদন।

৪। গুৱাহাটী আৰু কলকাতাৰ মাজত নতুন বন্দে ভাৰত শ্লীপাৰ সেৱা প্ৰৱৰ্তনৰ সিদ্ধান্ত।

**আৰু**

৪। ইংৰাজী নৱবৰ্ষ ২০২৬ৰ পহিলা দিন উপলক্ষে ৰাজ্যৰ বিভিন্ন প্ৰান্তত জনসাধাৰণৰ মাজত উৎসাহ-উদ্দীপনাৰ পৰিৱেশ।

ooooo

নুমলীগড় আৰু গহপুৰৰ মাজত ব্ৰহ্মপুত্ৰৰ তলীৰে নিৰ্মাণ হ'বলগীয়া চাৰিলেনযুক্ত টুইন টিউব টানেলটোত দুটা লেনযুক্ত ৰে'লপথ সংযোজন কৰাত কেন্দ্ৰীয় চৰকাৰে অনুমোদন জনাইছে। প্ৰতিবছৰৰ দৰে ইংৰাজী নৱবৰ্ষ উপলক্ষে ৰাজ্যখনৰ বিশিষ্ট সাংবাদিকসকলৰ সৈতে 'নতুন দিনৰ আলাপ' শীৰ্ষক সংবাদমেলত অংশ লৈ মুখ্যমন্ত্ৰী ডঃ হিমন্ত বিশ্ব শৰ্মাই এই কথা প্ৰকাশ কৰে। তেওঁ কয়, যে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে দিয়া পৰামৰ্শ অনুযায়ী অৰ্থনৈতিক পৰিক্ৰমা বিষয়ক মন্ত্ৰীসভা সমিতিয়ে এই টানেলটোত ৰে'লপথ সংযোগ কৰাৰ সিদ্ধান্ত লৈছে। ১২ হাজাৰ কোটি টকা ব্যয় সাপেক্ষ উত্তৰ-পূৰ্বাঞ্চলৰ এই প্ৰথমটো নদী সুৰংগ নিৰ্মাণ হৈ উঠিলে নুমলীগড়ৰ পৰা গহপুৰৰ মাজৰ ২৪০ কিলোমিটাৰ দৈৰ্ঘ্য কেৱল ৩৫ কিলোমিটাৰ হ'বগৈ বুলি মুখ্যমন্ত্ৰীয়ে প্ৰকাশ কৰে।

এখন আন্দোলন আৰু সন্ত্ৰাসজৰ্জৰ ৰাজ্যৰ পৰা যোৱা ৫টা বছৰত অসমৰ ছবি দেশৰ দ্ৰুত বিকশিত ৰাজ্যলৈ পৰিণত হোৱা বুলি উল্লেখ কৰি মুখ্যমন্ত্ৰীয়ে কয়, যে ২০২০ৰ পৰা ২০২৫ চনলৈ অসমৰ ৪৫ শতাংশ বিকাশ হৈছে। তেওঁ কয়, যে ৰাজ্যখনত জনমূৰি আয় ৫৪ শতাংশ বৃদ্ধি পোৱাৰ লগতে বিগত সময়ছোৱাত ৰাজহো ৫৩ শতাংশ হাৰত বৃদ্ধি পাইছে।

মুখ্যমন্ত্ৰীয়ে কয়, যে কেন্দ্ৰীয় চৰকাৰে অষ্টম দৰমহা আয়োগ গঠনৰ পাছতেই অসমে দেশৰ প্ৰথম ৰাজ্য হিচাপে অসম চৰকাৰৰ কৰ্মচাৰীসকলৰ বাবে অষ্টম দৰমহা আয়োগ গঠন কৰিব। অসম চৰকাৰৰ অৱসৰপ্ৰাপ্ত

অতিৰিক্ত মুখ্য সচিব সুভাষ দাসৰ নেতৃত্বত গঠন হ'বলগীয়া এই দৰমহা আয়োগ সম্পৰ্কত জানুৱাৰীৰ প্ৰথম সপ্তাহতে অধিসূচনা জাৰি কৰা হ'ব বুলি মুখ্যমন্ত্ৰীয়ে সংবাদমেলত সদৰি কৰে।

**বাইট (চি এম) ১**

সৌৰশক্তি উৎপাদনৰ ক্ষেত্ৰত অসমে উল্লেখনীয় অগ্ৰগতি লাভ কৰা বুলি উল্লেখ কৰি মুখ্যমন্ত্ৰীয়ে কয়, যে পৰৱৰ্তী ডেৰ মাহৰ ভিতৰতে ৰাজ্যখনত অতিৰিক্ত ৩৫০ মেগাৱাট সৌৰশক্তি উৎপাদন কৰা হ'ব আৰু ইয়াক গ্ৰীডত সংযুক্ত কৰা হ'ব। শক্তি উৎপাদনৰ অভিনৱ কৌশল হিচাপে ৰাজ্যখনৰ পাঁচখন ওখ স্থানত জলাধাৰ নিৰ্মাণ কৰা হ'ব। দিনৰ ভাগত সৌৰশক্তিচালিত পাম্পেৰে জলৰাশি উত্তোলন কৰি নিশাৰ ভাগত এই জলৰাশিৰে টাৰ্বাইনৰ সহায়ত বিদ্যুৎ শক্তি উৎপাদনৰ এটা অভিনৱ আঁচনিৰ বিষয়েও মুখ্যমন্ত্ৰীয়ে আজি সদৰি কৰে।

নতুন বছৰটোত চৰকাৰে বিভিন্ন আঁচনিৰ অধীনত হিতাধিকাৰীসকললৈ প্ৰদান কৰিবলগীয়া সুবিধাসমূহৰ বিষয়ে প্ৰকাশ কৰি মুখ্যমন্ত্ৰীগৰাকীয়ে কয় যে দেশৰ ভিতৰতে চৰকাৰী খণ্ডত অসমত প্ৰথমটো কৰ্কট ৰোগৰ প্ৰটন থেৰাপী মেচিন স্থাপন কৰা হ'ব। কোভিদ কালত অসমৰ ৰাইজৰ দান-বৰঙণিৰ পৰা সংগৃহীত ৫০ কোটি টকাৰ লগতে ৰাজহুৱা খণ্ডৰ কেইবাটাও প্ৰতিষ্ঠানৰ সামাজিক সাহায্য পুঁজিৰ পৰা লাভ কৰা ৫০ কোটি টকাসহ অসম চৰকাৰে আবণ্টন কৰা পুঁজিৰে মুঠ ৫০০ কোটি টকা ব্যয় সাপেক্ষে এই অত্যাধুনিক চিকিৎসা প্ৰকল্প স্থাপন কৰা হ'ব।

মুখ্যমন্ত্ৰীয়ে অহা ২০ ফেব্ৰুৱাৰীত অৰুণোদয় আঁচনিৰ জৰিয়তে ৰাজ্যখনৰ মহিলাসকললৈ ৮ হাজাৰ টকাকৈ আগবঢ়োৱা হ'ব বুলি ঘোষণা কৰে। ডঃ শৰ্মাই লগতে কয়, যে বছৰি ৪ লাখ টকাতকৈ কম উপাৰ্জন কৰা পৰিয়ালৰ ছাত্ৰৰ সুবিধাৰ্থে বাবু আঁচনিৰ জৰিয়তে স্নাতকোত্তৰ ছাত্ৰক ২ হাজাৰ আৰু স্নাতক পৰ্যায়ৰ ছাত্ৰলৈ এহেজাৰ টকাকৈ প্ৰদান কৰা হ'ব।

ৰাজ্যৰ শিক্ষাখণ্ডত আধাতে বিদ্যালয় এৰা ছাত্ৰ-ছাত্ৰীৰ সংখ্যা ভালেখিনি কম হৈছে বুলি উল্লেখ কৰি মুখ্যমন্ত্ৰীয়ে কয়, যে উচ্চ মাধ্যমিকত আধাতে বিদ্যালয় এৰা ছাত্ৰ-ছাত্ৰীৰ হাৰ পূৰ্বৰ ৩০ শতাংশৰ পৰা বৰ্তমান ১৭ দশমিক ৫ শতাংশলৈ হ্ৰাস পাইছে।

ডঃ শৰ্মাই কয়, যে ছুইজাৰলেণ্ডৰ ডাভ'ছত হ'বলগীয়া বিশ্ব অৰ্থনৈতিক মঞ্চত এইবাৰ দেশৰ উন্নত দুখন ৰাজ্য মহাৰাষ্ট্ৰ আৰু অন্ধ্ৰপ্ৰদেশৰ লগতে অসমক পোনপ্ৰথমবাৰৰ বাবে আমন্ত্ৰণ জনোৱা হৈছে। এয়া অসমৰ বাবে পৰম গৌৰৱৰ বিষয় বুলি অভিহিত কৰি মুখ্যমন্ত্ৰীয়ে তেওঁ অংশগ্ৰহণ কৰিবলগীয়া এই শীৰ্ষ অৰ্থনৈতিক মঞ্চত অসমত বিনিয়োগৰ সম্ভাৱনা সবলভাৱে উত্থাপন কৰাৰ সুযোগ পাব বুলি মন্তব্য কৰে।

**বাইট (চি এম) ২**

মুখ্যমন্ত্ৰীগৰাকীয়ে অহা ১৭ জানুৱাৰীত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে কাজিৰঙাত এলিভেটেড কৰিড'ৰৰ আধাৰশিলা স্থাপন কৰিব বুলি সংবাদমেলত ঘোষণা কৰে। শ্ৰীমোদীয়ে ফেব্ৰুৱাৰীত কোকৰাঝাৰৰ পৰা গেলেফুলৈ নতুন ৰে'লপথৰ আধাৰশিলা স্থাপন কৰিব বুলি ডঃ শৰ্মাই প্ৰকাশ কৰে।

০০০০০

অসম চৰকাৰে নিউ গুৱাহাটীৰ ভাৰতীয় খাদ্য নিগমৰ গুদামৰূপে ব্যৱহৃত ভূমি গুৱাহাটী ৰে'ল ষ্টেচনৰ সম্প্ৰসাৰণৰ বাবে ব্যৱহাৰ কৰা সন্দৰ্ভত ৰে'ল বিভাগৰ সৈতে আলোচনা কৰিব। আজি কইনাধৰাৰ ১ নম্বৰ

অতিথিশালাত ৰাজ্যখনৰ জ্যেষ্ঠ সম্পাদকসকলৰ সৈতে হোৱা **নতুন দিনৰ আলাপ** অনুষ্ঠানত মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই এই কথা সদৰি কৰে। আমাৰ বিশেষ সংবাদদাতা ৰাজীৱ লোচন বৰঠাকুৰে গুৱাহাটী ৰেল ষ্টেচনত বৰ্তমান মাত্ৰ ৭খন প্লেটফৰ্ম থকা হেতুকে গুৱাহাটীৰ পৰা নতুন ৰেলগাড়ী প্ৰৱৰ্তনত বাধা হোৱাৰ প্ৰসঙ্গ উত্থাপন কৰি সোধা এটা প্ৰশ্নৰ উত্তৰত মুখ্যমন্ত্ৰীয়ে কয় যে গুৱাহাটী ৰেল ষ্টেচনৰ সম্প্ৰসাৰণৰ বাবে অসম ৰাজ্যিক পৰিবহন নিগমৰ পল্টন বজাৰৰ ভূমি ৰেল বিভাগক আবণ্টন দিয়া হৈছে। তদুপৰি গুৱাহাটী ৰেল ষ্টেচনৰ পাৰ্শ্বৱৰ্তী কামাখ্যা, নাৰেংগী, চাংসাৰি আৰু জাগীৰোড ষ্টেচনৰ পৰা অতিৰিক্ত ৰেলগাড়ী চলাচলৰ জৰিয়তে গুৱাহাটী ষ্টেচনৰ প্লেটফৰ্মৰ অসুবিধা আঁতৰ কৰাৰ চেষ্টা কৰা হৈছে। আমাৰ সংবাদদাতাৰ আন এটা প্ৰশ্নৰ উত্তৰত ড০ শৰ্মাই কয় যে গুৱাহাটীৰ ওচৰত ব্ৰহ্মপুত্ৰৰ ওপৰত দ্বিতীয়খন ৰেল তথা পথ দলং নিৰ্মাণৰ কাম ইতিমধ্যে আৰম্ভ হৈছে। এই দলংখন নিৰ্মাণৰ ক্ষেত্ৰত ভূমি অধিগ্ৰহণৰ কোনো ধৰণৰ সমস্যা হোৱাৰ কথা মুখ্যমন্ত্ৰীয়ে অস্বীকাৰ কৰে।

০০০০০

মন্ত্ৰীসভাই বছৰৰ প্ৰথমখন বৈঠকত আজি সমগ্ৰ অসমৰ ১০০খন বিদ্যালয় নিৰ্মাণৰ বাবে ৪৫৫ কোটি টকাত অনুমোদন দিয়ে। মন্ত্ৰীসভাই লগতে এম এম চি এইছ আৰু কালাপাহাৰ চৌহদক কেন্দ্ৰ কৰি ৮০০খন বিছনাযুক্ত সাধাৰণ চিকিৎসালয়ৰ সৈতে এখন চিকিৎসা মহাবিদ্যালয় নিৰ্মাণৰ বাবে এহেজাৰ ২০১ কোটি ১৬ লাখ টকাৰ সংশোধিত প্ৰশাসনিক অনুমোদন জনায়।

০০০০০

ভাৰতীয় ৰেলৰ নৱতম সংযোজন - বন্দে ভাৰত শ্লীপাৰ ৰেল সেৱা অসমতো প্ৰৱৰ্তনৰ সিদ্ধান্ত লোৱা হৈছে। গুৱাহাটী আৰু কলকাতাৰ মাজত এই নতুন বন্দে ভাৰত শ্লীপাৰ সেৱা প্ৰৱৰ্তন কৰা হ'ব। মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই আজি খন্তেক সময় আগতে তেওঁৰ ফে'চবুক পে'জ যোগে এই কথা সদৰি কৰে। উল্লেখযোগ্য যে ২০২৩ চনত প্ৰৱৰ্তন কৰা বন্দে ভাৰত ৰেল সেৱা এতিয়ালৈকে দিনৰ ভাগতহে চলাচল কৰিছিল। ৰেল মন্ত্ৰালয়ে ইতিমধ্যে নিশাৰ ভাগত চলাচল কৰিব পৰা বন্দে ভাৰত শ্লীপাৰ সেৱাৰ স্পীড ট্ৰায়েল সম্পন্ন কৰিছে আৰু এই ট্ৰায়েলত ৰেলগাড়ীখনে ঘণ্টাৰ সৰ্বোচ্চ ১৮০ কিলোমিটাৰৰ গতিবেগ অতিক্ৰম কৰিছে। গুৱাহাটী আৰু কলকাতাৰ মাজত প্ৰস্তাৱিত এই বন্দে ভাৰত শ্লীপাৰ সেৱাৰ সময়সূচী এতিয়ালৈকে ঘোষণা হোৱা নাই যদিও মহানগৰ দুখনৰ মাজৰ প্ৰায় এহেজাৰ কিলোমিটাৰ দূৰত্ব এই ৰেলগাড়ীখনে প্ৰায় ৮-৯ ঘণ্টাৰ ভিতৰত সম্পূৰ্ণ কৰিব বুলি আশা কৰা হৈছে।

০০০০০

শিলচৰ আৰু আগৰতলাৰ মাজত চলাচল কৰা ১৫৬৬৪ আৰু ১৫৬৬৩ নম্বৰৰ এক্সপ্ৰেছ ৰেলগাড়ীখনৰ দবাসমূহ আজিৰে পৰা অত্যাধুনিক এল এইছ বিলৈ সলনি কৰা হৈছে। আজি পুৱা শিলচৰ ৰেলে ষ্টেচনত আয়োজিত এটা অনুষ্ঠানত সাংসদ কনাড পুৰকায়স্থ, পৰিমল শুক্লবৈদ্য আৰু বিধায়ক দিপায়ন চক্ৰৱৰ্তীয়ে এই এল এইছ বি ৰেকৰ ৰেলগাড়ীখনৰ যাত্ৰা পতাকা জোকাৰি শুভাৰম্ভ কৰে। অনুষ্ঠানত সাংসদ কনাড পুৰকায়স্থই কয় যে শিলচৰ আৰু ৰঙিয়াৰ মাজত চলাচল কৰা দৈনিক এক্সপ্ৰেছ ৰেলগাড়ীখনো অহা মাহত এল এইছ বি ৰেকলৈ সলনি কৰা হ'ব।

০০০০০

হোজাই জিলা প্ৰশাসনে কাইলৈ ডবকাৰ যমুনা-মৌদংগা সংৰক্ষিত বনাঞ্চলৰ প্ৰায় ৬ হাজাৰ বিঘা ভূমিত উচ্ছেদ চলাব। ইয়াৰ বাবে বন বিভাগ আৰু জিলা প্ৰশাসনে প্ৰস্তুতি সম্পূৰ্ণ কৰিছে। বন বিভাগে ইতিমধ্যে বনাঞ্চলখনত জৰীপ চলাই কেইবাহাজাৰ বিঘা ভূমি অবৈধ দখলকাৰীৰ কবলত থকাৰ তথ্য লাভ কৰে আৰু এহেজাৰ ২০০ৰো অধিক দখলকাৰীলৈ জাননী প্ৰেৰণ কৰে। এই সন্দৰ্ভত সবিশেষ জনাইছে আমাৰ হোজাই জিলাৰ সংবাদদাতা মিণ্টু তামুলী ফুকনে

**ভইচ (মিণ্টু তামুলী ফুকন)**

এই অভিযানৰ জৰিয়তে অঞ্চলটোত ৩০-৪০ বছৰ ধৰি অবৈধভাৱে বাস কৰি থকা এহেজাৰ ১৭০টা পৰিয়ালৰ ভিতৰত এহেজাৰ ১৮টা উচ্ছেদ কৰা হ'ব। বাকী ১৫২টা পৰিয়ালে সকাহ বিচাৰি উচ্চ ন্যায়ালয়ৰ কাষ চাপিছিল। ইপিনে উচ্ছেদৰ জাননী লাভ কৰাৰ পাছতে স্থানীয় বিধায়কসহ একাংশই ভূমিহীনসকলক পুনৰ সংস্থাপনৰ দাবী জনাই জিলা আয়ুক্তক স্মাৰক পত্ৰ প্ৰদান কৰে।

০০০০০

ইংৰাজী নৱবৰ্ষৰ পহিলা দিনটোত আজি অসম প্ৰকাশন পৰিষদৰ উদ্যোগত আৰু সদৌ অসম পুথি প্ৰকাশক আৰু বিক্ৰেতা সংস্থাৰ সহযোগত গুৱাহাটীৰ খানাপাৰা পশু চিকিৎসা মহাবিদ্যালয়ৰ খেলপথাৰত অনুষ্ঠিত গ্ৰন্থ মেলাত গ্ৰন্থপ্ৰেমীৰ সমাগম দেখা যায়। নতুন বছৰৰ প্ৰথম দিনটো গ্ৰন্থৰ সান্নিধ্যৰে আদৰিবলৈ পুঁথিপ্ৰেমী, বিদ্যত সমাজ, শিক্ষাৰ্থী আৰু লেখৰ সাহিত্যিকৰ বিশাল সমাবেশে গ্ৰন্থমেলাস্থলী উৎসৱৰ লহৰ সৃষ্টি কৰে। আজি বিয়লি আঢ়ে বজাত গ্ৰন্থমেলাথলীত 'গল্পগাঁথা' শীৰ্ষক অনুষ্ঠানৰ আয়োজন কৰা হয়। এই অনুষ্ঠান বিশিষ্ট সাহিত্যিক তথা অসম সাহিত্য সভাৰ প্ৰাক্তন সভাপতি ডাঃ ধ্ৰুৱজ্যোতি বৰাই উদ্বোধন কৰে। তেওঁ কয় যে গল্প লেখাটো সহজ নহয়, ই এক প্ৰকাৰৰ বৰ্ণাত্মক কলা। গল্প বুলিলে কাহিনী এটা থাকে যদিও কাহিনী নথকা গল্পক লৈও বিভিন্ন সম্পৰীক্ষা হৈছে বুলি তেওঁ মন্তব্য কৰে।

বিশিষ্ট গল্পকাৰ, কবি অতনু ভট্টাচাৰ্যই পৰিচালনা কৰা অনুষ্ঠানটিত গল্পকাৰ অপূৰ্ব কুমাৰ শইকীয়া, প্ৰশান্ত কুমাৰ দাস, শিৱানন্দ কাকতি, বিতোপন বৰবৰা, অপু ভৰদ্বাজ, মনস্বিনী ৰুণুমী মহন্ত প্ৰমুখ্যে ভালেসংখ্যক লেখক-লেখিকাই অংশগ্ৰহণ কৰে। উল্লেখযোগ্য যে ২৪ ডিচেম্বৰৰ পৰা অনুষ্ঠিত গ্ৰন্থমেলাত আজি পৰ্যন্ত ৪ কোটি ৭০ লাখ টকাৰ গ্ৰন্থ বিক্ৰী হৈছে।

০০০০০

আকাশবাণী গুৱাহাটীৰ শনিবাৰে নিশা ৮ বাজি ২ মিনিটৰ দৃষ্টিপাত অনুষ্ঠানত গ্ৰন্থবৰ্ষ, গ্ৰন্থৰ চাহিদা আৰু ভৱিষ্যত সম্পৰ্কত এটা আলোচনা প্ৰচাৰ কৰা হ'ব। এই আলোচনাত বিশিষ্ট প্ৰকাশক তথা অসম সাহিত্য সভাৰ প্ৰাক্তন সভাপতি ডº সূৰ্যকান্ত হাজৰিকা আৰু লেখক, অনুবাদক মনস্বিনী মহন্তই অংশগ্ৰহণ কৰিব। অনুষ্ঠানটিৰ প্ৰযোজনা ৰাজীৱ লোচন বৰঠাকুৰৰ আৰু আঁত ধৰিব অৰুণিমা গোস্বামীয়ে।

০০০০০

আকাশবাণীৰ সঞ্চালক প্ৰধানৰ নিৰ্দেশমৰ্মে বাতৰি বিভাগে আৰম্ভ কৰা বিশেষ প্ৰাসঙ্গিক অনুষ্ঠানত আজি নিশা ৯ বাজি ১৫ মিনিটত মৰিগাঁও জিলাৰ স্বাস্থ্যখণ্ডত ৰূপায়িত আঁচনি সন্দৰ্ভত জিলাখনৰ যুটীয়া স্বাস্থ্য সেৱা সঞ্চালক ডাঃ অৰুণ কুমাৰ নাথৰ সৈতে হোৱা সাক্ষাৎকাৰটি পুনৰ প্ৰচাৰ কৰা হ'ব। সাক্ষাৎ গ্ৰহণ কৰিছে আমাৰ মৰিগাঁও জিলাৰ সংবাদদাতা ডালিম ফুকনে।

০০০০০

ইংৰাজী নৱবৰ্ষ ২০২৬-ৰ আজি পহিলা দিন উপলক্ষে ৰাজ্যৰ বিভিন্ন প্ৰান্তত জনসাধাৰণৰ মাজত উৎসাহ-উদ্দীপনাই বিৰাজ কৰিছে। নতুন বছৰটোত নিজৰ লগতে পৰিয়ালৰ কুশল কামনা কৰি নেদেখাজনৰ আশীষ ল'বলৈ আজি পুৱাতেই ৰাজ্যৰ বিভিন্ন প্ৰান্তৰ ধৰ্মীয় স্থানসমূহত অগণন লোকৰ সমাগম হৈছে। গুৱাহাটী মহানগৰীৰ শক্তিপীঠ কামাখ্যা ধাম, উত্তৰ গুৱাহাটীৰ দৌল গোবিন্দ দেৱালয়, লতাশিল আৰু গণেশগুৰি গণেশ মন্দিৰৰ উপৰি অন্যান্য মঠ-মন্দিৰ আৰু ধৰ্মীয় স্থানসমূহত বহুলোক সমবেত হয়। হাজোৰ হয়গ্ৰীৱ মাধৱ মন্দিৰ, বকোৰ পাৰ্বতী মন্দিৰকে ধৰি বিভিন্ন ধৰ্মীয় স্থানসমূহত পুৱাৰে পৰা অগণন ভক্তৰ সমাগম পৰিলক্ষিত হয়। গুৱাহাটীৰ অসম ৰাজ্যিক চিৰিয়াখানাতো আজি বহু লোকে ভিৰ কৰা দেখা যায়। নৱবৰ্ষৰ প্ৰথম দিনটোত চিৰিয়াখানালৈ ছহেজাৰ ২৪গৰাকী দৰ্শনাৰ্থীৰ আগমন ঘটে বুলি চিৰিয়াখানা কৰ্তৃপক্ষই প্ৰকাশ কৰিছে। কৰ্তৃপক্ষৰ নীতি অনুসৰি শুকুৰবাৰে চিৰিয়াখানা বন্ধ ৰখা হয় যদিও কাইলৈ নতুন বছৰ উপলক্ষে কাইলৈ চিৰিয়াখানা মুকলি থাকিব।

ইপিনে, আত্মীয় বন্ধু-বান্ধৱ আৰু পৰিয়ালৰ সৈতে দিনটো আনন্দৰে অতিবাহিত কৰিবলৈ আজি বহুলোক বনভোজস্থলী আৰু নৈসৰ্গিক সৌন্দৰ্যৰে পৰিপূৰ্ণ স্থানসমূহত উপস্থিত হয়। গুৱাহাটীৰ অসম ৰাজ্যিক চিৰিয়াখানাত পুৱাৰেপৰা বিৰ দি বাট নোপোৱা পৰিৱেশৰ সৃষ্টি হয়।

০০০০০

সমাপ্ত